3 (Sem–6/CBCS) ASM SE

**2023**

ASSAMESE

( Skill Enhancement )

Paper : ASM–SE–6014

**( Asamiya Akhar Jotani )**

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×৪=৪

(ক) অসমীয়া ভাষাত নাসিক্য ব্যঞ্জনবৰ্ণৰ সংখ্যা কেইটা?

(খ) অসমীয়া ভাষাত শ্বাসাঘাত বিভাজ্য বৰ্ণ নে উপাহিত বৰ্ণ?

(গ) 'মেলা'-শব্দটোৰ এ-কাৰৰ উচ্চাৰণ এ হৈছে নে এ' হৈছে?

(ঘ) অক্ষৰ আৰু আখৰ এককেনে?

২। চমুকৈ উত্তৰ দিয়া : ২×৩=৬

(ক) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা কেইটা? এই বিশিষ্ট স্বৰধ্বনিকেইটাৰ কোন দুটা বৰ্ণ অসমীয়া স্বৰবৰ্ণমালাৰ তালিকাখনত নাই?

(খ) অসমীয়া ভাষাত প্ৰয়োগ হোৱা দুটা অৰ্ধতৎসম শব্দৰ উদাহৰণ দিয়া।

(গ) অসমীয়া ভাষাত শ্ৰুতিধ্বনিৰ সংখ্যা কেইটা? এই শ্ৰুতিধ্বনিকেইটা কি কি?

৩। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×২=১০

(ক) যতিচিহ্ন কাক বোলে? লেখন আৰু কথনৰ ক্ষেত্ৰত যতিচিহ্নসমূহে কেনেধৰণৰ ভূমিকা পালন কৰে, চমুকৈ লিখা।

(খ) অসমীয়া ভাষাত স্বৰবৰ্ণৰ মাত্ৰা বৰ্ণগত হয় নে নহয়, উদাহৰণসহ ব্যাখ্যা কৰা।

(গ) অসমীয়া ভাষাত কাৰকবাচক নামবিভক্তি কেইটা আৰু কি কি? অসমীয়া ভাষাৰ যি কোনো এটা শব্দত এই বিভক্তিসমূহ প্ৰয়োগ কৰি দেখুওৱা।

(ঘ) অসমীয়া ভাষাত চন্দ্ৰবিন্দু বা অনুনাসিকতাৰ প্ৰয়োগে কেনেধৰণে শব্দৰ অৰ্থৰ পাৰ্থক্য ঘটায়, উদাহৰণসহ লিখা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) লিপ্যন্তৰ পদ্ধতি বুলিলে কি বুজা? বিদেশী শব্দৰ লিপ্যন্তৰণৰ ক্ষেত্ৰত কেনেধৰণৰ সমস্যাৰ উদ্ভৱ হয়, বহলাই লিখা।

(খ) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহ তালিকাভুক্ত কৰা। এই স্বৰবৰ্ণবোৰ বুজাবলৈ কি কি স্বৰচিহ্ন প্ৰয়োগ কৰা হয়, উদাহৰণসহ নিৰ্দেশ কৰা।

(গ) অসমীয়া ভাষাৰ সম্বন্ধবাচক বিশেষ্যপদসমূহত পুৰুষ অনুযায়ী কি বিভক্তি ব্যৱহাৰ কৰা হয়? এই বিভক্তিসমূহৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ ব্যাখ্যা কৰা।

(ঘ) "প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰে লেখন পদ্ধতিত নতুনত্ব আনি দিয়াৰ কাৰণে অসমীয়া ভাষাত ব্যৱহৃত বহুসংখ্যক শব্দৰ বানানৰ সৰলীকৰণৰ প্ৰয়োজন হৈ পৰিছে।" উপযুক্ত উদাহৰণেৰে এই উক্তিৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(ঙ) "অসমীয়া ভাষাৰ জটিলতা স্বৰবৰ্ণ-ব্যঞ্জনবৰ্ণৰ একে উচ্চাৰণৰ একাধিক আখৰে যিমান বঢ়াইছে, তাতোকৈ বেছি বঢ়াইছে যুক্তাক্ষৰে।" উক্ত কথাষাৰিৰ যুক্তিযুক্ততা সাব্যস্ত কৰা।

(চ) তলত উল্লেখ কৰা সমোচ্চাৰিত শব্দসমূহৰ অৰ্থ নিৰ্দেশ কৰা :

পাণ—পান

পাণি—পানী

চাল—ছাল

লাঠী—লাথি

তাঁত—তাত

টোপ—তোপ

কঠা—কথা

★★★